C. S. (Main) Exam : 2012

**Sl. No** **E–DTN–M–JMD–1**

# ASSAMESE

**( Compulsory )**

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt ALL questions.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese, unless otherwise directed.**

**Prescribed word limit must be followed for Question No. 3. The précis must be attempted *only* on the special précis sheets provided separately. These précis sheets are to be securely attached to the answer book.**

**Important Note**

**Whenever a question is being attempted, all its parts/sub-parts must be attempted contiguously. This means that before moving on to the next question to be attempted, candidates must finish attempting all parts/sub-parts of the previous question attempted. This is to be strictly followed.**

**Pages left blank in the answer-book are to be clearly struck out in ink. Any answers that follow pages left blank may not be given credit.**

1. তলৰ যি কোনো এটা বিষয়ে ৩০০ শব্দৰ ভিতৰত এখন ৰচনা লিখা : 100

   *(a)* ভাৰতবৰ্ষ—বাণিজ্যিক অগ্ৰগতিৰ এখন ক্ৰমবিকাশমান থলি

   *(b)* কৰ্মব্যস্ত মহানগৰসমূহ মহিলাৰ কাৰণে কিমান নিৰাপদ ?

(c) বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু প্ৰতিপালন

(d) ভাৰতবৰ্ষত বৃত্তিমুখী শিক্ষা

(e) বোলছবিত পৌৰাণিক কাহিনী-জগৎ

**2.** তলত দিয়া গদ্যাংশটো ভালদৰে পঢ়া আৰু তাৰ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা। তোমাৰ উত্তৰ সুস্পষ্ট, শুদ্ধ আৰু সংক্ষেপ হ'ব লাগিব : 10×6=60

সৰহভাগ পাঠকে মুখ্যতঃ অৱসৰ বিনোদনৰ নিমিত্তে অথবা মন পাতলাবৰ কাৰণে কিতাপ পঢ়ে। আন কথাত ক'বলৈ হ'লে, পাঠকে প্ৰধানকৈ সময় কটাবলৈহে কিতাপ পঢ়ে আৰু এই কথাত নিশ্চয় তুমিও একমত হ'বা। এটা কথা সঘনাই প্ৰতিপন্ন কৰা হৈ আহিছে যে সময় এক অমূল্য সম্পদ। সৰহ সংখ্যক পাঠকে এই সম্পদৰ অপচয় কৰে। অবিশ্বাস্য যেন লাগিলেও এই কথা সঁচা যে সময়ে তেওঁলোকৰ মন ভাৰাক্ৰান্ত কৰি ৰাখে। পঠনে তেওঁলোকৰ এই ভাৰ বা বোজা কিছু লাঘব কৰিব পাৰে বুলি উপলব্ধি কৰি তেওঁলোকে কিতাপ পঢ়ে। এইটো অতিশয় স্পষ্ট যে পাঠকে আন কোনো কাৰণতে কিতাপ নপঢ়ে। কিবা উদ্দেশ্য আগত ৰাখি পঢ়াহেঁতেন তেওঁলোকে পঠনৰ পৰা কিবা নহয় কিবা লাভ কৰিলেহেঁতেন। পাঠকে পঠনৰ পৰা লাভবান হোৱাৰ কোনো সংকেত নাই। পঠনে পাঠকৰ মনত অতি সামান্য প্ৰভাৱ পেলাব পাৰে; কিন্তু তেওঁলোক প্ৰভাৱিত হ'লেও তেওঁলোক এই বিষয়ে সচেতন নহয়। আমি যেতিয়া অজানিতভাৱে প্ৰভাৱিত হওঁ, এই প্ৰভাৱ লাভজনকো হ'ব পাৰে বা ক্ষতিকাৰকো হ'ব পাৰে—এই কথা আমি ক'ব নোৱাৰোঁ। তেওঁলোকে যে সচেতনভাৱে পঠনৰ পৰা একো এটা লাভ নকৰে তাৰ প্ৰমাণ এয়ে যে তেওঁলোকৰ পঠন সম্পৰ্কে একো ক'বলগীয়া নাথাকে।

(a) সৰহভাগ মানুহে কি উদ্দেশ্যে পঢ়ে বুলি লিখকে ক'বলৈ বিচাৰে?

(b) পাঠকে সময়ৰ মূল্য নুবুজে বুলি কিয় লিখকে ভাবে?

(c) পাঠকৰ সময় যে কামত অহা ধৰণে খৰচ কৰা নহয় এই কথাৰ সাক্ষ্য কিহে বহন কৰে ?

(d) পাঠকে পঢ়া শেষ কৰি উঠি কি কৰাটো লিখকে আশা কৰে ?

(e) অমনোযোগিতাৰে পঢ়া কথাটোক লিখকে কিয় হেয় জ্ঞান কৰিছে ?

(f) লিখকে কেনেধৰণৰ পাঠক পাবলৈ আশা কৰে ?

**3.** তলত দিয়া গদ্যাংশটো, ইয়াৰ এক তৃতীয়াংশত, সংক্ষেপে লিখি উলিওৱা। শব্দৰ এই নিৰ্ধাৰিত সীমা মানি নচলিলে নম্বৰ কটা যাব পাৰে। সুকীয়াকৈ দিয়া কাগজতহে এই সংক্ষেপ-লিখন প্ৰশ্নৰ উত্তৰ কৰিবা। এই কাগজকেইখিলা প্ৰধান উত্তৰ বহীৰ ভিতৰত সুমুৱাই, এৰাই যাব নোৱাৰাকৈ গাঁঠি দিবা : 60

পানী হৈছে পৃথিৱীৰ বুকুত সকলোতে সহজলভ্য বস্তু। ই পৃথিৱী পৃষ্ঠৰ 70 ভাগ আৱৰি আছে। গোটেই ভূ-মণ্ডলত থকা পানীৰ পৰিমাণ 1·386 বিলিয়ন ঘন-কিলোমিটাৰ। ইয়াৰে 97 শতাংশ লুণীয়া পানী আৰু ই খোৱাৰ কাৰণে উপযুক্ত নহয়। বাকী 3 শতাংশ পানীহে শুদ্ধ; ইয়াৰো আকৌ 68·5 শতাংশ বৰফৰ ৰূপত আৱদ্ধ; ই মানুহৰ খোৱাপানী হিচাপে উপলব্ধ নহয়। শুদ্ধ পানীৰ 30 শতাংশ ভূমি-তলত থাকে আৰু প্ৰায় 0·9 শতাংশ ভূমি-পৃষ্ঠত থকা জান-জুৰি, নদী আৰু হ্ৰদত থকা শুদ্ধ পানী। আমি জান, নদী আৰু হ্ৰদৰ পৰা পোৱা 70 ঘন-কিলোমিটাৰ আৰু ভূমি-তলত পোৱা আন 70 ঘন-কিলোমিটাৰ শুদ্ধ পানীৰ ওপৰত নিৰ্ভৰ কৰোঁ। হেজাৰ হেজাৰ বছৰ ধৰি শুদ্ধ পানীৰ পৰিমাণ একেই আছে। কিন্তু যোৱা কেই দশকমানৰ ভিতৰত ক্ৰমবৰ্দ্ধমান ঘৰুৱা ব্যৱহাৰ আৰু কৃষিগত আৰু ঔদ্যোগিক ব্যৱহাৰৰ হেতুকে শুদ্ধ পানীৰ চাহিদা বৰ তীব্ৰভাৱে বাঢ়ি গৈ আছে। 1940 চনত, যেতিয়া পৃথিৱীৰ জনসংখ্যা আছিল 2 বিলিয়ন, পানীৰ বছৰেকীয়া জনমূৰি ব্যৱহাৰ আছিল 1000 ঘন-মিটাৰতকৈ কম। 2000 চনত জনসংখ্যা বাঢ়ি

গৈ 6 বিলিয়ন হ'লগৈ আৰু পানীৰ বছৰেকীয়া জনমূৰি চাহিদা হ'লগৈ 6000 ঘন-মিটাৰ। এই পৰিস্থিতিয়ে ঘন জনবসতি থকা অঞ্চলত, আৰু পানী য'ত দুৰ্লভ, তাত শুদ্ধ জল-সম্পদৰ ওপৰত প্ৰচণ্ড চাপ সৃষ্টি কৰিছে। কৃষিক্ষেত্ৰৰ বাবে 70 শতাংশ পানী লাগে; ইয়াৰ পিছতে আছে উদ্যোগ (22 শতাংশ) আৰু ঘৰুৱা প্ৰয়োজন (8 শতাংশ)। পৃথিৱীৰ জনসংখ্যা বিস্ফোৰণৰ ফলত শুদ্ধ পানী ক্ৰমান্বয়ে দুৰ্লভ হৈ পৰিছে আৰু শুদ্ধ পানীৰ চাহিদা ক্ৰমশঃ বৃদ্ধি পাই আহিছে। ইতিমধ্যে উপলব্ধ শুদ্ধ পানীৰ আধাখিনিয়েই ব্যৱহাৰ কৰা হৈছে। জনসংখ্যা বৃদ্ধি আৰু বৰ্ধিত চাহিদাৰ বাবে 2050 চনলৈ ই হ'বগৈ 74 শতাংশ। যদি পৃথিৱীৰ প্ৰত্যেক ঠাইৰ মানুহে একোজন আমেৰিকাবাসীৰ সমানে পানী ব্যৱহাৰ কৰিবলৈ লয়, পানীৰ উপভোগৰ সীমাৰেখা 90 শতাংশ চুবগৈ।

ব্যৱহাৰোপযোগী পানীৰ অতিশয় চকুত লগা গুণ হ'ল এয়ে যে ইয়াৰ বিতৰণ সৰ্বত্ৰ সমান নহয়। পৃথিৱীত কিছুমান জল-সম্পদত চহকী দেশ থকাৰ বিপৰীতে কিছুমান জল-সম্পদত দুখীয়া দেশো আছে। চহকী দেশত বছৰেকীয়া পানীৰ ব্যৱহাৰ 10767 মিলিয়ন ঘন-মিটাৰ (গ্ৰীণলেণ্ড) হোৱাৰ বিপৰীতে দুখীয়া দেশত ইয়াৰ পৰিমাণ হ'লগৈ কেৱল 10 ঘন-মিটাৰ (কুৱাইট)। ভাৰতবৰ্ষত 1951 চনত বছৰেকীয়া জনমূৰি পানীৰ প্ৰাপ্তি আছিল 5177 ঘন-মিটাৰ; ই 2001 চনত 1820 ঘন-মিটাৰলৈ অৱনমিত হৈ ভাৰতবৰ্ষক জল-সম্পদত দুখীয়া দেশৰ শাৰীলৈ নমাই দিছে। 2025 চনলৈ জনমূৰি প্ৰাপ্তিৰ পৰিমাণ কমি গৈ 1340 ঘন-মিটাৰ হ'ব বুলি অনুমান কৰা হৈছে।

পৃথিৱীৰ বহুতো ডাঙৰ ডাঙৰ নদী আৰু উপনদী একাধিক দেশৰ মাজেদি বৈ গৈছে। উদাহৰণস্বৰূপে গঙ্গা আৰু ইয়াৰ উপনদীসমূহ নেপাল, ভাৰতবৰ্ষ আৰু বাংলাদেশৰ মাজেদি বৈ গৈছে। সিন্ধু আৰু ইয়াৰ উপনদীসমূহ ভাৰতবৰ্ষ আৰু পাকিস্তানৰ মাজেদি বৈ গৈছে। দানুবে নদী জাৰ্মানীত উৎপত্তি হৈ অস্ট্ৰিয়া, শ্লোভাকিয়া, হাঙ্গেৰী, ক্ৰোৱেটিয়া, চাৰবিয়া, ৰোমানিয়া, বুলগেৰিয়া, মোলডাভিয়া আৰু উক্ৰেইনৰ মাজেদি বৈ গৈছে। জাম্বেজি নদী জাম্বিয়া, আঙ্গোলা,

নামিবিয়া, বোটচ্‌ৱানা, জিম্বাৱে আৰু মোজাম্বিকৰ মাজেদি বৈ গৈছে। ইজিপ্তৰ প্ৰাণৰেখাস্বৰূপ নীল নদীৰ উৎপত্তি স্থল আঠখন বেলেগ বেলেগ দেশ, যথা—চুডান, ইথিয়োপিয়া, কেনিয়া, ৰাৱাণ্ডা, বুৰণ্ডা, উগাণ্ডা, তাঞ্জানিয়া আৰু জাইৰে। যেতিয়া কোনো এটা নদী একাধিক দেশৰ ভিতৰেদি প্ৰৱাহিত হৈ যায় তেতিয়া প্ৰায়েই নদীয়ে চুই যোৱা দেশসমূহৰ মাজত জল-বিভাজনক লৈ বিবাদ সংঘটিত হয়। এনে বিবাদ খৃষ্ট-পূৰ্ব 3000 চনৰ পৰাই দক্ষিণ আৰু মধ্য-এচিয়াৰ অংশ বিশেষ, মধ্য-ইউৰোপ আৰু মধ্য-প্ৰাচ্যত সংঘটিত হৈ আহিছে। কৃষিক্ষেত্ৰ, উদ্যোগ-ক্ষেত্ৰ আৰু ঘৰুৱা প্ৰয়োজনৰ বৰ্ধিত চাহিদাই এনে বিবাদক তুঙ্গত তুলিছে। কেতিয়াবা কেতিয়াবা এনে বিবাদে আক্ৰমণাত্মক ভাব-ভঙ্গীৰো সৃষ্টি কৰিছে।

একেখন দেশৰ ভিতৰতে বিভিন্ন ৰাজ্য আৰু অঞ্চলৰ মানুহৰ মাজত জল-সম্পদৰ বিতৰণো এটা স্পৰ্শকাতৰ বিষয়। গৌতম বুদ্ধয়ো (খৃঃপূঃ 563–483) শাক্য আৰু কোটিয়াৰ মাজত ৰোহিণী নদীৰ পানী বিতৰণক লৈ হোৱা বিবাদ নিষ্পত্তি কৰাৰ কাৰণে হস্তক্ষেপ কৰিবলগীয়া হৈছিল।

**4.** তলত দিয়া গদ্যাংশ অসমীয়ালৈ অনুবাদ কৰা : 20

I remember my father starting his day at 4 a.m. by reading the namaz before dawn. After the namaz, he used to walk down to a small coconut grove we owned, about 4 miles from our home. He would return, with about a dozen coconuts tied together thrown over his shoulder, and only then would he have his breakfast. This remained his routine even when he was in his late sixties.

I have throughout my life tried to emulate my father in my own world of science and technology. I have endeavoured to understand the fundamental truths revealed to me by my father, and feel convinced that

there exists a divine power that can lift one up from confusion, misery, melancholy and failure, and guide one to one's true place. And once an individual severs his emotional and physical bondage, he is on the road to freedom, happiness and peace of mind.

**5.** তলত দিয়া গদ্যাংশ ইংৰাজীলৈ অনুবাদ কৰা : 20

বহু পুৰণি কালতে চিকিৎসালয় স্থাপনৰ পৰম্পৰা আৰম্ভ হৈছিল। খৃষ্টৰ জন্মৰ বহু বছৰ আগতেই গ্ৰীচ, ইজিপ্ত আৰু ভাৰতবৰ্ষত এই পদ্ধতিৰ শুভাৰম্ভ ঘটিছিল। সম্প্ৰতি পৃথিৱীৰ প্ৰায় সকলো দেশতে ডাঙৰ ডাঙৰ সাধাৰণ চিকিৎসালয় স্থাপিত হৈছে, য'ত প্ৰায় সকলো ধৰণৰ বেমাৰৰ চিকিৎসা কৰা হয় আৰু চিকিৎসা সম্বন্ধীয় প্ৰশিক্ষণ আৰু গৱেষণাও কম-বেছি পৰিমাণে কৰা হয়। এইবোৰৰ উপৰিও বহুতো সৰু সৰু চিকিৎসাকেন্দ্ৰ আছে; তাৰে কিছুমানত বিশেষ বিশেষ বেমাৰৰ চিকিৎসা কৰা হয়, আন কিছুমানত তিৰোতা আৰু শিশুৰ চিকিৎসা কৰা হয়। ইংলণ্ড আৰু আমেৰিকাত চিকিৎসালয়সমূহে চৰকাৰ অথবা স্থানীয় নগৰপালিকাৰ পৰা ৰাজ-সাহায্য আৰু প্ৰশাসনীয় সহায় সহযোগ লাভ কৰে। এই ব্যৱস্থাই যে কেৱল চিকিৎসা সেৱাত হ'ব পৰা বেমেজালি অথবা আৰ্থিক সংকট দূৰীভূত কৰে এনে নহয়, জনসাধাৰণৰ কাৰণেও এক প্ৰণালীবদ্ধ চিকিৎসা সেৱা আগবঢ়োৱাটো সুনিশ্চিত কৰে। লগতে এনে ব্যৱস্থাই শক্তিৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰতো মিতব্যয়িতা অৱলম্বনত সহায় কৰে। আনহাতে, কঠোৰ সমালোচনাৰ অভাৱ আৰু অপব্যয়ৰ আধিক্যৰ হেতুকে এনে ব্যৱস্থা নিৰ্জীৱ, যান্ত্ৰিক আৰু প্ৰাণহীন কাৰ্যক্ৰমত পৰিণত হয়।

**6.** *(a)* তলৰ যি কোনো **পাঁচটা** শব্দ/জতুৱা খণ্ডবাক্য বাচি লৈ, প্ৰত্যেকটো ব্যৱহাৰ কৰি একোটা বাক্য ৰচনা কৰা : 2×5=10

*(i)* ওফাইদাং

*(ii)* ভেঙুচালি

(iii) অহৌবলিয়া

(iv) অহুকাণে পহুকাণে

(v) হাতত সাৰে, ভৰিত সাৰে

(vi) নাক-কটা

(vii) হাত-লৰ

(viii) বু-বু বা-বা

(ix) ৰ লাগি চাই থাক

(x) টলৌ টলৌকৈ

(b) তলৰ যি কোনো পাঁচটা শব্দৰ সমাৰ্থক শব্দ লিখি, প্ৰতিটো সমাৰ্থক শব্দ ব্যৱহাৰ কৰি একোটা চুটি চুটি বাক্য ৰচনা কৰা : 2×5=10

(i) কমল

(ii) অন্ন

(iii) অগ্নি

(iv) ভূমি

(v) জোন

(vi) বেলি

(vii) শুৱনি

(viii) টান

(ix) চতুৰ

(x) ধৰিত্ৰী

*(c)* তলৰ যি কোনো **চাৰিটা** প্ৰবচনৰ ভাব-সম্প্ৰসাৰণ কৰা : 5×4=20

*(i)* বাওনা হৈ চন্দ্ৰলৈ হাত মেলা।

*(ii)* ৰৌ বৰালি সৰকি যায়,
পুঠি খলিহা পাহে পাহে ৰয়।

*(iii)* চোৰে চোৰৰ ঠেং দেখে।

*(iv)* দুই নাওত দুই ভৰি।

*(v)* তেজক পানী কৰি,
হাঁড়ক মাটি কৰি ...

*(vi)* নাচিব নেজানে, চোতালখন বেঁকা।

*(vii)* ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ।

*(viii)* নকটা খেৰৰ নশ গুটিওৱা

*(ix)* দুৰ্ভগীয়া যলৈ যায়,
সাগৰ শুকায়, মাণিক লুকায়।

*(x)* নাও বুৰিলেও টিঙৰ পৰা ননমা।

★ ★ ★